**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

ৰাজ্যৰ বঙাইগাঁও, ছিদলী, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ পুৱা ৮ বজাত আটাইকেইটা সমষ্টিত একেলগে ভোটগণনা আৰম্ভ হ'ব। প্ৰথমে প'ষ্টেল বেলট আৰু ৮৫ বছৰ বয়সৰ ঊৰ্ধৰ লোকসকলে ঘৰতে ভোটদান কৰা বেলটবোৰ গণনা কৰা হ'ব। তাৰ পাছতে ই ভি এমৰ ভোটগণনা আৰম্ভ হ'ব। সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে কাইলৈৰ ভোট গণনাৰ বাবে ভোটগণনা কেন্দ্ৰসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰিছে।

এই সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলীৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। নুনমাটিৰ পৰা আমবাৰীলৈকে উৰণ সেতুৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এটা বিবৃতিযোগে জানিবলৈ দিছে।

০০০০০০

কাজিৰঙাত অহা ২৭ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কেইবাখনো আলোচনাসত্ৰ আৰু বৈঠক অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অৰুণাচল প্ৰদেশৰ মুখ্যমুন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু হস্ততাঁত দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে অতিথিসকলে ২৬ নৱেম্বৰত ডিব্ৰুগড় বিমানবন্দৰত অৱতৰণ কৰাৰ পাছত তেওঁলোকক বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰিবলৈ লৈ যোৱা হ'ব। কাজিৰঙালৈ ৰাওনা হোৱাৰ পূৰ্বে তেওঁলোকে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰো দৰ্শন কৰিব।

পৰ্যটন মন্ত্ৰালয়ৰ সচিব ভি বিদ্যাৱতীয়ে ২৭ নৱেম্বৰৰ পুৱা অনুষ্ঠানত আদৰণি ভাষণ দিব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কাজিৰঙাৰ কঁহৰাৰ সভাগৃহত উত্তৰ-পূৰ্বাঞ্চলৰ ৮খন ৰাজ্যৰ চৰকাৰৰ তৰফৰ পৰা প্ৰত্যেকখন ৰাজ্যৰ পৰ্যটন ব্যৱস্থাক উপস্থাপন কৰাৰো দিহা কৰা হৈছে। দ্বিতীয় দিনা মেলাত অংশগ্ৰহণ কৰিবলৈ আহিবলগীয়া সন্মানীয় অতিথি তথা প্ৰতিনিধিসকলে কাজিৰঙা বনাঞ্চলত জীপ ছাফাৰী কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু

জৈৱ বৈচিত্ৰ উদ্যান আৰু হাতীখুলি চাহ বাগিচা ভ্ৰমণ কৰিব। সেইদিনা বিয়লি ৰাজ্য চৰকাৰৰ উদ্যোগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰেপৰা মহানগৰীৰ জজ খেলপথাৰত গুৱাহাটী প্ৰিমিয়াৰ ফুটবল লীগ প্ৰতিযোগিতাৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। লীগ তথা নক আউট ভিত্তিত হ'বলগীয়া প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি ডি বি আই এছ চি দলটো ছাইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজি আন এখন খেলত অসম পুলিচ দলে এন এফ ৰেলৱেৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। মুঠ ১৬টা দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ অহা ২২ ডিচেম্বৰত সামৰণি পৰিব। প্ৰতিদিনে দুখনকৈ খেল হ'বলগীয়া এই প্ৰতিযোগিতাৰ প্ৰথমখন খেল দিনৰ ডেৰ বজাৰ পৰা অনুষ্ঠিত হোৱাৰ বিপৰীতে দ্বিতীয়খন খেল বিয়লি ৪বজাৰ পৰা খেলোৱা হ'ব।

আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্য চৰকাৰৰ জনসংযোগ বিভাগৰ মন্ত্ৰী পিয়ুষ হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেল পাৰ্থত চলি আছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ছটা উইকেট হেৰুৱাই ১০১ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ভাৰতীয় দলৰ নিয়মীয়া অধিনায়ক ৰোহিত শৰ্মাই ব্যক্তিগত অসুবিধাৰ বাবে প্ৰথম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰাৰ বাবে যশপ্ৰীত বুমৰাই দলটোক নেতৃত্ব দিছে। ভাৰতীয় দলৰ আন এগৰাকী আগশাৰীৰ বেটচমেন শুভমন গিলেও আঘাতৰ বাবে প্ৰথম টেষ্টত ভাগ লোৱা নাই।

০০০০০

সমাপ্ত